# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-09-2025
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

০০০০০০

নুমলীগড় শোধনাগাৰত নিৰ্মাণ কৰা বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্পই অসমৰ ৫০ হাজাৰ বাঁহ খেতিয়কক আৰ্থিকভাৱে সবল কৰি তোলাৰ লগতে বহনক্ষম উন্নয়নৰ পথ মুকলি কৰিব। গোলাঘাট জিলাৰ নুমলীগড়ত কালি এই প্ৰকল্প উদ্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে ৫ হাজাৰ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা এই প্ৰকল্পই অসম তথা দেশৰ ঔদ্যোগিক ক্ষেত্ৰখনক নতুন গতি প্ৰদান কৰিব। শ্ৰীমোদীয়ে কালি নুমলীগড় শোধনাগাৰৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পত উৎপাদিত প্লাষ্টিক আৰু অন্যান্য জৈৱ সামগ্ৰীসমূহে দেশৰ উদ্যোগ ক্ষেত্ৰখনক সমৃদ্ধ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয়, যে ভাৰতে শক্তি খণ্ডত আত্মনিৰ্ভৰ হোৱাৰ দিশত অগ্ৰসৰ হৈছে আৰু বিদেশৰ পৰা আমদানি কৰা ইন্ধনৰ ওপৰত থকা নিৰ্ভৰশীলতা হ্ৰাস কৰিছে।

অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে এই জৈৱ ইথানল প্ৰকল্পৰ বাবে বছৰি প্ৰায় ৫ লাখ টন বাঁহৰ বজাৰ গঢ় লৈ উঠিব। ইয়াৰ ফলত ৰাজ্যৰ প্ৰায় ৩০ হাজাৰ পৰিয়াল উপকৃত হ'ব।

ইয়াৰ আগেয়ে, প্ৰধানমন্ত্ৰী মোদীয়ে দৰং জিলাৰ মঙলদৈত ৬ হাজাৰ ৩০০ কোটি টকা ব্যয়সাপেক্ষে তিনিটা বিশেষ আন্তঃগাঁথনিমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। শ্ৰীমোদীয়ে তেওঁৰ ভাষণত ভাৰত সম্প্ৰতি বিশ্বৰ দ্ৰুত বিকশিত অৰ্থনীতিত পৰিণত হৈছে বুলি উল্লেখ কৰি অসমকো দেশৰ অন্যতম দ্ৰুত বিকশিত ৰাজ্য বুলি অভিহিত কৰে। তেওঁ কয়, যে স্বাধীনতাৰ পাছত দেশৰ দক্ষিণ আৰু পশ্চিম অংশত ঔদ্যোগিক খণ্ডৰ বিকাশ হ'ল যদিও উত্তৰ পূৰ্বাঞ্চল অপৰিৱৰ্তিত হৈ থাকিল। এতিয়া উত্তৰ পূৰ্বাঞ্চলৰ বিকাশৰ সময় বুলি উল্লেখ কৰি তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে এই খণ্ডৰ যোগাযোগ উন্নয়নৰ বাবে কাম কৰি আছে। শ্ৰীমোদীয়ে অনুপ্ৰবেশকাৰীৰ প্ৰসঙ্গ উল্লেখ কৰি দেশৰ ভূমিত অনুপ্ৰৱেশকাৰীৰ আগ্ৰাসন কোনো কাৰণতে সহ্য কৰা নহ'ব বুলি দৃঢ়তাৰে ঘোষণা কৰে।ী

০০০০০০

অহা ১৭ৰ পৰা ২৩ ছেপ্তেম্বৰলৈ ৰাজ্যত পালন কৰিবলগীয়া সেৱা সপ্তাহৰ বাবে প্ৰস্তুতি অব্যাহত আছে। এই কাৰ্যসূচীৰ অধীনত বৃহৎ স্বাস্থ্য শিবিৰ, ৰক্তদান শিবিৰ মুকলি কৰাৰ লগতে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত ভূমি পট্টা বিতৰণ কাৰ্যসূচীও অন্তৰ্ভুক্ত কৰা হ'ব। ৰাজ্যজুৰি ৰূপায়ণ হ'বলগীয়া এই পদক্ষেপৰ সফলতা নিশ্চিত কৰাৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ইতিমধ্যে ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে ৰাজ্যৰ বিভিন্ন বিভাগৰ মন্ত্ৰী, বিধায়কসকল আৰু বি টি আৰৰ বাহিৰে অন্য জিলাৰ আয়ুক্তসকলৰ বিষয়টো সন্দৰ্ভত আলোচনা কৰিছে।

০০০০০০

বিদ্যালয় শিক্ষা বিভাগে সেৱা সপ্তাহ উপলক্ষে অহা ১৯ ছেপ্তেম্বৰত ৰাজ্যজুৰি হ'বলগীয়া গছপুলি ৰোপণ কাৰ্যসূচীত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ অধ্যক্ষ আৰু সদস্যসকলকে ধৰি ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকলৰ

অংশগ্ৰহণ বাধ্যতামূলক কৰিছে। পৰহিলৈৰ পৰা হ'বলগীয়া সেৱা সপ্তাহৰ অংশ হিচাপে এই পদক্ষেপ লোৱা হৈছে। এই অভিযানৰ লক্ষ্য হৈছে ৰাজ্যৰ ২০ হাজাৰ শৈক্ষিক প্ৰতিষ্ঠানৰ প্ৰতিখনতে ৭৫টাকৈ গছপুলি ৰোপণ কৰা।

০০০০০০

লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ত কালি সেউজ মিত্ৰ ফাউণ্ডেছনৰ উদ্যোগত **জৈৱ বৈচিত্ৰ্য আৰু কৃষি বিষয়**ক এখন আলোচনা সত্ৰ অনুষ্ঠিত হয়। এই আলোচনা সত্ৰত লখিমপুৰ আঞ্চলিক কৃষি বিজ্ঞান কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ডং প্ৰবাল শইকীয়া আৰু লখিমপুৰৰ জ্যেষ্ঠ সাংবাদিক বুবুল হাজৰিকা সমল ব্যক্তি ৰূপে উপস্থিত থাকে। বহনক্ষম উন্নয়ন আৰু পৰিৱেশ সুৰক্ষাৰ প্ৰতি উৎসৰ্গিত সেউজ মিত্ৰ ফাউণ্ডেছনে লখিমপুৰ জিলাখনৰ সৌন্দৰ্য বৰ্ধনৰ বাবে সময়ে সময়ে বিভিন্ন পদক্ষেপ লৈ আহিছে। কালিৰ অনুষ্ঠানত লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ডং লোহিত হাজৰিকা, শাৰদী শইকীয়া, দিকপল লাহন, সুকুমাৰ পায়েং আদিকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে।

০০০০০০

কালি বিয়লিৰ ভাগত হোৱা ৫ দশমিক ৯ প্ৰাবল্যৰ ভূমিকম্পত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ তেজপুৰত ৫০ বছৰীয়া এগৰাকী মহিলাৰ মৃত্যু হয়। য়াছমিন খান নামৰ এই মহিলাগৰাকী ভূমিকম্পৰ সময়ত ভীতিগ্ৰস্ত হৈ অচেতন হৈছিল। পৰৱৰ্তী সময়ত মহিলাগৰাকীৰ মৃত্যু হোৱা বুলি আমাৰ শোণিতপুৰৰ সংবাদদাতাই জনাইছে।

০০০০০০

উল্লেখযোগ্য যে, কালি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিয়লি ৪ বাজি ৪১ মিনিটত ভূমিকম্পৰ প্ৰৱল জোঁকাৰণি অনুভূত হয়। এই ভূমিকম্পৰ অভিকেন্দ্ৰ ঢেকীয়াজুলিৰ সমীপত বুলি জানিব পৰা গৈছে। ভূমিকম্পৰ ফলত ৰাজ্যৰ বিভিন্ন ঠাইত দেৱালত ফাঁট মেলা, ছিলিং খহি পৰাকে ধৰি বিস্তৰ ক্ষতি হোৱাৰ বাতৰি পোৱা গৈছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্‌ছএপযোগে পঠিয়াব লাগিব। হোৱাট্‌ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

০০০০০০

**সমাপ্ত**